# 2025

## ASSAMESE

## ( Major )

Paper : ASS0500304

( প্ৰাচীন ভাৰতীয় আৰু মধ্য-ভাৰতীয় আৰ্যভাষাৰ ৰূপৰেখা )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৮=৮

(ক) ভাৰতীয় আৰ্যসকলৰ সৰ্বপ্ৰাচীন গ্ৰন্থখনৰ নাম কি ?

(খ) 'পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য' গ্ৰন্থখনৰ ৰচক কোন ?

(গ) পাণিনি ৰচিত 'অষ্টাধ্যায়ী' নামেৰে পৰিচিত ব্যাকৰণখনৰ প্ৰকৃত নাম কি ?

(ঘ) অশোকৰ গিৰ্নাৰ অনুশাসনত প্ৰাকৃতৰ কোনটো উপভাষাৰ (আঞ্চলিক প্ৰাকৃত) ৰূপ ৰক্ষিত হৈছে ?

(ঙ) 'ধম্মপদ' মুঠ কিমানটা বগ্‌গৰ (বৰ্গৰ) সমষ্টি ?

(চ) সংস্কৃত ভাষাৰ স্বৰ আৰু ব্যঞ্জনধ্বনিৰ মূল উৎস কি ?

(ছ) সংস্কৃতৰ 'ঋ' ধ্বনি প্ৰাকৃতত 'অ' ধ্বনিলৈ পৰিৱৰ্তন হোৱাৰ এটা উদাহৰণ দিয়া।

(জ) পৰৱৰ্তী অক্ষৰত থকা উচ্চ স্বৰধ্বনিৰ প্ৰভাৱত পূৰ্বৱৰ্তী অক্ষৰৰ নিম্ন স্বৰধ্বনি উচ্চ স্বৰধ্বনিলৈ পৰিৱৰ্তন হোৱা প্ৰক্ৰিয়াক কি বোলা হয় ?

২। চমু উত্তৰ দিয়া (যি কোনো ছয়টা) : ২×৬=১২

(ক) ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ কোনটো শাখাৰ লোকে নিজকে 'আৰ্য' বুলি গৌৰৱ কৰিছিল ? এই 'আৰ্য' শব্দৰ অৰ্থ কি ?

(খ) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ অন্তৰ্গত দুটা ভাষাৰ নাম লিখা।

(গ) ভৌগোলিক বিস্তৃতিৰ ফালৰ পৰা অপভ্ৰংশ বা অৱহট্‌ঠ ভাষাক কি দুটা বহল ভাগত ভগাব পাৰি ?

(ঘ) 'ধম্মপদ' কোনখন পিটকৰ, কোন নিকায়ৰ অন্তৰ্গত গ্ৰন্থ ?

(ঙ) 'গাহাসত্তসঈ'ৰ সংকলক কোন ? গ্ৰন্থখন কোনটো সাহিত্যিক প্ৰাকৃতত ৰচিত ?

(চ) অপভ্ৰংশ ভাষাত ৰচিত দুখন গ্ৰন্থৰ নাম লিখা।

(ছ) সংস্কৃত ব্যাকৰণত 'অযোগৱাহ' বৰ্ণ হিচাপে কোন দুটা বৰ্ণক অভিহিত কৰা হয় ?

(জ) সংস্কৃতৰ কোন দুই প্ৰকাৰ ব্যঞ্জনধ্বনিৰ উচ্চাৰণৰ পাৰ্থক্য লুপ্ত হৈ অসমীয়াত দন্তমূলীয় ধ্বনি হিচাপে উচ্চাৰণ হয় ?

(ঝ) কোনো শব্দত ওচৰা-উচৰিকৈ থকা একেধৰণৰ অক্ষৰৰ এটা লোপ হোৱাক কি বুলি কোৱা হয়? এটা উদাহৰণ দিয়া ।

(ঞ) সংস্কৃত 'মৃত্তিকা' শব্দৰ ৰূপ প্ৰাকৃত আৰু অসমীয়া ভাষাত কি হিচাপে পোৱা যায়, উল্লেখ কৰা ।

৩ । চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) বৈদিক আৰু সংস্কৃত ভাষাৰ ধ্বনিতাত্ত্বিক পাৰ্থক্য

(খ) মগধীয় ভাষাগুচ্ছ

(গ) প্ৰাকৃতত ৰচিত গীতি-কাব্য

(ঘ) সংস্কৃতৰ দ্বি-স্বৰৰ পালি-প্ৰাকৃতত হোৱা পৰিৱৰ্তন

(ঙ) পালি-প্ৰাকৃত ভাষাত অপিনিহিতি

(চ) 'সংনেহ ৰাসউ' কাব্যৰ ভাষাগত বৈশিষ্ট্য

৪ । তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×২=২০

(ক) ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিকাশৰ স্তৰসমূহ কাল অনুযায়ী দেখুৱাই যি কোনো এটা স্তৰৰ ভাষাগত বৈশিষ্ট্য আলোচনা কৰা ।

(খ) 'পালি' নামৰ তাৎপৰ্য ব্যাখ্যা কৰি পালি সাহিত্যৰ চমু পৰিচয় দাঙি ধৰা ।

(গ) শতক কাব্য কি? 'নীতি শতক' কাব্যৰ ৰচক, ৰচনাৰ সময় আৰু বিষয়বস্তু সম্পৰ্কে আলোচনা কৰা।

(ঘ) সংস্কৃত ভাষাৰ ব্যঞ্জনধ্বনিৰ সৈতে পালি-প্ৰাকৃত ভাষাৰ ব্যঞ্জনধ্বনিৰ এক তুলনামূলক আলোচনা যুগুত কৰা।

(ঙ) ধ্বনিগত পৰিৱৰ্তন বুলিলে কি বুজা? সংস্কৃতৰ পৰা বিকাশ হৈ পালি-প্ৰাকৃতৰ উদ্ভৱ হওঁতে কেনেধৰণৰ উচ্চাৰণমূলক পৰিৱৰ্তন হৈছিল, চমুকৈ লিখা।

★★★